# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY
## MA Assamese 3rd Sem. Examination, 2014

কাকত ঃ দশম

অসমীয়া ভক্তিসাহিত্য

(সাহিত্য শাখা)

সময় ঃ তিনি ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১. তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ অতি চমু উত্তৰ লিখক। ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) আলৱাৰসকলে ৰচনা কৰা ভক্তিগীতসমূহৰ সংকলনখনৰ নাম কি? গীতসমূহ কি ভাষাত ৰচিত হৈছিল?

(খ) 'সংস্কৃত হ'ল এটা কুঁৱা, আৰু সাধাৰণজনৰ ভাষা হ'ল বোঁৱতি সুঁতি।' — কথাষাৰৰ বক্তা কোন আৰু তেওঁ কোন সময়ৰ লোক?

(গ) অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰিখুটি কি কি?

(ঘ) পুৰাণ কি? কোনখন পুৰাণৰ পৰা শংকৰদেৱে 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ বিষয়বস্তু গ্ৰহণ কৰিছে?

(ঙ) মাধৱদেৱৰ 'নামঘোষা'ৰ প্ৰথম ঘোষাটো কি?

(চ) ভট্টদেৱৰ গুৰু কোন? গদ্যত ৰচনা কৰা তেওঁৰ দুখন পুথি কি কি?

(ছ) আহোম যুগৰ শ্ৰেষ্ঠ কবিগৰাকী কোন? জয়দেৱৰ কোনখন কাব্য তেওঁ সংস্কৃতৰ পৰা অসমীয়ালৈ পদভাঙনি কৰে?

(জ) কোন গৰাকী স্বৰ্গদেউ 'শিৱপুৰাণ'ৰ ৰচক বুলি জনাজাত? তেওঁ কোন খ্ৰীষ্টাব্দত ৰাজসিংহাসন আৰোহণ কৰে?

২. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভক্তি আন্দোলনৰ আৰ্থ-সামাজিক পটভূমি সম্বন্ধে কি জানে লিখক।

(খ) 'ভক্তি ৰত্নাকৰ' গ্ৰন্থৰ ষোড়শ মাহাত্ম্যত বৰ্ণিত হোৱা উত্তম ভক্তৰ লক্ষণসমূহ



আপোনাৰ নিজৰ ভাষাত দাঙি ধৰক।

(গ) ভট্টদেৱৰ সাহিত্য-কৃতিৰ এটি পৰিচয়মূলক টোকা লিখক।

(ঘ) 'শিৱপুৰাণ'ৰ অধ্যায়সমূহৰ চমু পৰিচয় আগবঢ়াওক।

(ঙ) 'শ্ৰী শ্ৰী চণ্ডী'ৰ ৰচক ৰুচিনাথ কন্দলীৰ এটি চমু পৰিচয় দাঙি ধৰক।

৩. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২০০-২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাৰতৰ ভক্তি-আন্দোলনৰ সূচনা কিদৰে হৈছিল? আলোচনা কৰক।

(খ) অসমীয়া ভক্তি সাহিত্যৰ বিষয়বস্তু — এই বিষয়ে এটি টোকা যুগুত কৰক।

(গ) প্ৰাচীন অসমত শিৱ পূজাৰ প্ৰচলন সম্পৰ্কে এটি আলোচনামূলক টোকা লিখক।

(ঘ) প্ৰাচীন অসমত শাক্ত ধৰ্মৰ প্ৰচলন সম্পৰ্কে এটি আলোচনামূলক টোকা লিখক।

(ঙ) 'ভক্তি ৰত্নাকৰ' পুথিখনৰ বিষয়বস্তুৰ এটি আভাস দাঙি ধৰক।

৪. তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভক্তি কি? ভক্তি আন্দোলনৰ লগতে ভক্তি সাহিত্য সৃষ্টিত ৰামানন্দ, কবীৰ আৰু নানকৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ কৰক।

(খ) ভক্তিধৰ্মৰ প্ৰচাৰত শংকৰদেৱৰ 'ভক্তি-ৰত্নাকৰ' পুথিখনে কেনেদৰে অৰিহণা যোগাইছে বুলি আপুনি ভাবে, আলোচনা কৰক।

(গ) ভট্টদেৱৰ 'ভক্তিবিবেক' পুথিখনত ভক্তিৰ স্থান কেনেদৰে নিৰ্ণয় কৰা হৈছে, আলোচনা কৰক।

(ঘ) পুৰাণৰ পঞ্চ লক্ষণ আৰু দহ লক্ষণ দাঙি ধৰি ৰুদ্ৰসিংহৰ 'শিৱপুৰাণ'ত সেই লক্ষণসমূহ কেনেদৰে প্ৰতিফলিত হৈছে বিচাৰ কৰক।

(ঙ) 'শ্ৰী শ্ৰী চণ্ডী'ৰ কাহিনী আৰু বিষয়বস্তুৰ আভাস দিয়ক।

(চ) অসমীয়া ভক্তি সাহিত্যত শংকৰদেৱৰ যুগ অথবা শংকৰোত্তৰ যুগ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।